জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৪০/২০২১

তিনিচুকীয়াত কেইবাটাও প্ৰকল্পৰ শুভ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

বিজেপি চৰকাৰ জনতাৰ চৰকাৰ ঃ মুখ্যমন্ত্ৰী

অসমৰ ঐতিহ্য সুৰক্ষাৰ বাবে ৰাজ্য চৰকাৰে সন্মুখৰ পৰা নেতৃত্ব দিছে ঃ মুখ্যমন্ত্ৰী

দিছপুৰ, ২১ ফেব্ৰুৱাৰীঃ "অসমৰ সকলো জাতি-জনগোষ্ঠীক আন্তৰিকতাৰে আঁকোৱালি লৈ সম-উন্নয়ন আৰু সম-মৰ্যাদাৰে বিকাশৰ এক গতিশীল পৰিৱেশ নিৰ্মাণ কৰা প্ৰথমখন চৰকাৰ হ'ল বিজেপি নেতৃত্বাধীন বৰ্তমানৰ ৰাজ্য চৰকাৰখন। বিভিন্ন জাতি-জনগোষ্ঠীৰ ভাষা, কৃষ্টি, সংস্কৃতি, বিকশাই তোলাৰ দিশত ৰাজ্য চৰকাৰখনে দৃঢ়তাৰে কাম কৰি আহিছে। ঐতিহ্য সুৰক্ষাৰ ক্ষেত্ৰত বৰ্তমানৰ ৰাজ্য চৰকাৰে সন্মুখৰ পৰা নেতৃত্ব দিছে। বিজেপি চৰকাৰ যেতিয়ালৈ থাকিব, তেতিয়ালৈকে সকলোৱে সুৰক্ষিত হৈ থাকিব।" আজি তিনিচুকীয়া চহৰত ৭.৯৮ কোটি টকাৰে তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণে নিৰ্মাণ কৰি উলিওৱা অত্যাধুনিক সাংস্কৃতিক কেন্দ্ৰ, তিনিচুকীয়া চহৰত নিৰ্মাণ কৰা ট্ৰাক আস্থান শুভ উদ্বোধন কৰাৰ লগতে জিলাখনৰ কচুজান খেলপথাৰত নিৰ্মাণ হ'বলগীয়া পেভেলিয়ন আৰু মহাকালী চাহ বাগিচাত স্থাপন কৰিবলগীয়া ফুটবল একাডেমীৰ আধাৰশিলা স্থাপন কৰি এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে তিনিচুকীয়া চহৰখনৰ সন্দৰ্ভত ভাৰতৰ জনসাধাৰণৰ শক্তিশালী ধাৰণা আছে। এইখন চহৰে অকল অসমৰে নহয় উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্যিক চহৰ হিচাপে পৰিচয় অটুট ৰাখিছে। তিনিচুকীয়া চহৰে ইংৰাজৰ শাসনৰ দিনৰে পৰা অসমৰ তথা ভাৰতবৰ্ষৰ অৰ্থনৈতিক বুনিয়াদ গঢ় দিয়াৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙনি আগবঢ়াই আহিছে। বিভিন্ন ভাৰতীয় সম্প্ৰদায়ৰ লোকে বসবাস কৰা এইখন চহৰৰ ঐতিহ্য, গৰিমা, সকলোৱে উপলব্ধি কৰা উচিত। ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শাসনভাৰ গ্ৰহণ কৰাৰ পিছতে ভাৰতবৰ্ষৰ এনেধৰণৰ চহৰসমূহক আধুনিক ধ্যান-ধাৰণাৰে নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে আহ্বান জনাইছিল। প্ৰথমখন বাজেটতে এই চহৰখনৰ সৰ্বাংগীন উন্নয়ন সাধন কৰাৰ বাবে চি আই ডি এফৰ অধীনত ২০০ কোটি টকা ধাৰ্য কৰা হৈছে। তিনিচুকীয়া চহৰ অত্যাধুনিক ৰূপত গঢ় লৈ উঠিছে। এইখন চহৰক ভাৰতবৰ্ষৰ বুকুতে পৰিষ্কাৰ চহৰ হিচাপে ইয়াক গঢ় দিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে অত্যাধুনিক সা-সুবিধাযুক্ত সাংস্কৃতিক কেন্দ্ৰ যান-জঁট আঁতৰ কৰাৰ বাবে ট্ৰাক আস্থান, ক্ৰীড়াৰ দিশত আগুৱাই নিয়াৰ বাবে পেভেলিয়ন, ফুটবল একাডেমী স্থাপনৰ লেখীয়া

পদক্ষেপ এই বাবেই গ্ৰহণ কৰা হৈছে যাতে উঠি অহা প্ৰজন্মই শক্তিশালীভাৱে আগুৱাই যাব পাৰে। সাংস্কৃতিক অনুশীলন চৰ্চাৰ বাবে এই সাংস্কৃতিক কেন্দ্ৰই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সাংস্কৃতিক কেন্দ্ৰৰ সঠিক ব্যৱহাৰৰ জৰিয়তে ব্যক্তিত্ব নিৰ্মাণৰ যাত্ৰাত অগ্ৰসৰ হ'ব লাগিব। বৰ্তমান যুগটো স্মাৰ্ট যুগ। প্ৰধানমন্ত্ৰীয়ে স্মাৰ্ট চহৰ নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰি প্ৰথম পৰ্যায়ৰ ২০ খন চহৰৰ ভিতৰত গুৱাহাটীক সন্নিৱিষ্ট কৰিছে। ৰাজ্য চৰকাৰেও স্মাৰ্ট চিটি, স্মাৰ্ট টাউন গঢ়ি তোলাৰ লক্ষ্যৰে ৬ খন চহৰলৈ পুঁজি আৱন্টন দিছে।

তিনিচুকীয়াখন সাধাৰণ চহৰ নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দেশৰ ভিন্ন প্ৰান্তৰ পৰা ইয়ালৈ লোক আহি এখন সুন্দৰ অসমীয়া সমাজ নিৰ্মাণ কৰিছে। চহৰখনৰ সৌন্দৰ্যবৰ্দ্ধন কৰিব লাগিলে সকলোৱে মিলাপ্ৰীতিৰে থাকিব লাগিব। মানৱীয় প্ৰমূল্যবোধ প্ৰতিষ্ঠা কৰাৰ বাবে নিষ্ঠাৰে কাম কৰিব লাগিব। তেনেদৰে এই চহৰক এক আদৰ্শ চহৰ হিচাপে গঢ় দিব লাগিব। ২০১৬ চনত বিজেপি নেতৃত্বাধীন চৰকাৰখনে শাসনভাৰ লোৱাৰ পিছৰে পৰা প্ৰতিখন জিলাৰে সম-বিকাশৰ বাবে কাম কৰি আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' নীতিৰ আধাৰত সকলোকে সমভাৱে আগুৱাই নিয়াৰ বাবে দৃঢ়তাৰে কাম কৰি আহিছে। সেইবাবে আজি প্ৰতিখন জিলা সমান্তৰালভাৱে আগুৱাই যাবলৈ সক্ষম হৈছে। বিজেপিয়ে বিশ্বাস কৰে সম-বিকাশ, সম-উন্নয়ন, শান্তি আৰু প্ৰগতি। আমি কঠোৰ পৰিশ্ৰমেৰে অসমক আগুৱাই নিব লাগিব বুলি উল্লেখ কৰি আত্মনিৰ্ভৰ অসম গঢ়াৰ যাত্ৰাত সকলোৱে অৰিহণা যোগাব লাগিব বুলিও তেওঁ কয়। বিজেপি নেতৃত্বাধীন চৰকাৰখন জনতাৰ চৰকাৰ বুলি উল্লেখ কৰি আত্মনিৰ্ভৰ অসম নিৰ্মাণৰ যাত্ৰাত তিনিচুকীয়াই অগ্ৰণী ভূমিকা পালন কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই সভাত শ্ৰম আৰু চাহ জনজাতি কল্যাণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কদ্বয় বিনোদ হাজৰিকা, সুৰেন ফুকন, তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ সভাপতি কাজল গোহাই, তিনিচুকীয়া জিলা পৰিষদৰ সভাপতি ললিত মৰাণ, এপিডিচিএলৰ সঞ্চালক অনুপ সিং ৰাজপুৰোহিত, উপায়ুক্ত দিগন্ত শইকীয়া প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

পুঃডেঃ / প্ৰঃকুঃবঃ
২১/০২/২০২১